# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

নং ঃ ১১১/২০২০

## ডিমা হাছাও আৰু আমগুৰিত দুটা সৌৰশক্তি প্ৰকল্প স্থাপনৰ বাবে চুক্তি স্বাক্ষৰিত

**সেউজ আৰু পৰিৱেশ অনুকূল শক্তি উৎপাদনৰ ক্ষেত্ৰত এই চুক্তিয়ে এক নতুন দিগন্তৰ সূচনা কৰিব ঃ মুখ্যমন্ত্ৰী**

**দিছপুৰ, ৭ মাৰ্চ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ উপস্থিতিত আজি জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভাগৃহত আয়োজিত এক অনুষ্ঠানত উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্ত শাসিত পৰিষদ এলেকাত আৰু আমগুৰি সৌৰ উদ্যানত ৭০ মেগাৱাট শক্তিসম্পন্ন দুটা সৌৰশক্তি প্ৰকল্প নিৰ্মাণৰ বাবে চুক্তি স্বাক্ষৰিত হয়।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই ঐতিহাসিক চুক্তি স্বাক্ষৰৰ ফলত ৰাজ্যখনত সেউজ আৰু পৰিৱেশ অনুকূল শক্তি উৎপাদনৰ দিশত এক নতুন দিগন্তৰ সূচনা হ'ব। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে প্ৰতিঘৰ পৰিয়াললৈ বিদ্যুৎ যোগানৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ জৰিয়তে ৰাজ্যখনৰ ৬৮ লাখ পৰিয়ালক সামৰি লোৱাটো সম্ভৱ হৈ উঠিছে। সমাজ দুখীয়া শ্ৰেণীৰ জনসাধাৰণে যাতে মৰ্যাদা সহকাৰে জীৱন-যাপন কৰিব পাৰে সেই উদ্দেশ্যে ৰাজ্য চৰকাৰে অৰ্থনৈতিক উন্নয়ন আৰু সৱলীকৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰি আহিছে আৰু এই ক্ষেত্ৰত শক্তিখণ্ডই জনসাধাৰণৰ জীৱন ধাৰণৰ মানদণ্ড উন্নীতকৰণৰ ক্ষেত্ৰত বিশেষ অৰিহণা যোগাবলৈ সক্ষম হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

উল্লেখ্য যে আজিৰ এই অনুষ্ঠানত মুঠ তিনিখন চুক্তি স্বাক্ষৰিত হয়। সেয়া হৈছে ডিমা হাছাও জিলাত স্থাপন হ'বলগীয়া ৭০ মেগাৱাট শক্তিসম্পন্ন সৌৰশক্তি প্ৰকল্পৰ বাবে অসম শক্তি বিতৰণ কোম্পানী লিমিটেড (এপিডিচিএল) আৰু উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্ত শাসিত পৰিষদৰ মাজত শক্তি বিক্ৰী বিষয়ক চুক্তি, এপিডিচিএল আৰু জেকশ্যন পাৱাৰ প্ৰাইভেট লিমিটেডৰ মাজত শক্তি ক্ৰয় বিষয়ক চুক্তি আৰু শিৱসাগৰ জিলাৰ আমগুৰিত স্থাপন হ'বলগীয়া ৭০মেগাৱাট শক্তিসম্পন্ন সৌৰশক্তি প্ৰকল্পৰ বাবে এপিডিচিএল আৰু জেকশ্যন পাৱাৰ প্ৰাইভেট লিমিটেডৰ মাজত ভূমি অধিগ্ৰহণ আৰু ৰূপায়ণ সহযোগিতা চুক্তি।

২০২০-২১ বৰ্ষৰ ৰাজ্যিক বাজেটত ঘোষিত ৩০ ইউনিটতকৈ কম বিদ্যুৎ ব্যৱহাৰ কৰা পৰিয়ালসমূহলৈ বিনামূলীয়া বিজুলী যোগানৰ দৰে পদক্ষেপে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস নীতিৰ উপযুক্ত প্ৰতিফল ঘটাইছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়। মুখ্যমন্ত্ৰীয়ে ডিমা হাছাও আৰু আমগুৰিৰ ৰাইজক সৌৰশক্তি প্ৰকল্প দুটাৰ কাম-কাজত সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়। ২০২১ চনৰ মাৰ্চৰ ভিতৰতে এই প্ৰকল্প দুটা সাজু হৈ উঠিব বুলিও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে জ্যেষ্ঠ নাগৰিক, যুৱক-যুৱতী, মহিলা, দিব্যাংগ আদিকে ধৰি সমাজৰ সকলো শ্ৰেণীৰ জনসাধাৰণৰ কল্যাণৰ বাবে বহুসংখ্যক আঁচনি গ্ৰহণ কৰি আহিছে। ৰাজ্যৰ সকলো সম্প্ৰদায়ৰ নিবনুৱা যুৱক-যুৱতীৰ আত্মসংস্থাপনৰ বাবেও বিত্তীয় সাহায্য আগবঢ়োৱা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ লগতে কয় যে গ্ৰামাঞ্চলত উদ্যোগীকৰণৰ বিকাশৰ জৰিয়তে নিয়োগ সৃষ্টিৰ সুবিধা ত্বৰান্বিত কৰাৰ ক্ষেত্ৰত শক্তি খণ্ডই এক ইতিবাচক পৰিৱৰ্তন আনিব পাৰে।

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া দেবোলাল গাৰ্লোছাইও ভাষণ প্ৰদান কৰা এই অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, হাফলঙৰ বিধায়ক বি বি হাগজেৰ, মুখ্য সচিব কুমাৰ সঞ্জয় কৃষ্ণ, এপিডিচিএলৰ মুখ্য মহাপ্ৰবন্ধক উৎপল গোহাইকে ধৰি বহু সংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**স্বাঃডেঃ / প্ৰঃ কুঃবঃ / পুঃডেঃ**
**৭-০৩-২০২০**